হে আল্লাহ! মই তোমাৰ ওচৰত হিদায়ত প্ৰাৰ্থনা কৰোঁ, তাক্বৱা বিচাৰোঁ, চাৰিত্ৰিক পৱিত্ৰতা আৰু সচ্ছলতাৰ বাবে প্ৰাৰ্থনা জনাওঁ।

আব্দুল্লাহ ইবনে মাছ‘ঊদ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, তেওঁ নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰিছে যে, তেখেতে এই বুলি দুআ কৰিছিল: "হে আল্লাহ! মই তোমাৰ ওচৰত হিদায়ত প্ৰাৰ্থনা কৰোঁ, তাক্বৱা বিচাৰোঁ, চাৰিত্ৰিক পৱিত্ৰতা আৰু সচ্ছলতাৰ বাবে প্ৰাৰ্থনা জনাওঁ।" [ছহীহ] [(মুছলিম)]

হাদীছটোত আহিছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই বুলি দুআ কৰিছিল যে, (اللهـم إنـي أســألك الهــدى (অৰ্থাৎ হে আল্লাহ! মই তোমাৰ ওচৰত সত্যৰ ওপৰত প্ৰতিষ্ঠিত হোৱাৰ আৰু সেইমতে আমল কৰাৰ আৰু পোন পথত পৰিচালিত হোৱাৰ তাওফীক কামনা কৰোঁ। (والتقـــــى (তোমাৰ নিৰ্দেশনা যাতে পালন কৰিব পাৰোঁ আৰু তোমাৰ নিষেধাজ্ঞাৰ পৰা যাতে বিৰত থাকিব পাৰোঁ। (والعفـــــــاف(চাৰিত্ৰিক পৱিত্ৰতা কামনা কৰোঁ, কথাই হওক বা কৰ্ম কোনো ধৰণৰ অশালীন ব্যৱহাৰ যাতে মোৰ দ্বাৰা নহয়। (والغنـــــــــى (মখলুকৰ পৰা অমুখাপেক্ষী হৈ, একমাত্ৰ তোমাৰ মুখাপেক্ষী হোৱাৰ তাওফীক কামনা কৰোঁ।

https://sunnah.global/hadeeth/as/show/3596